DRAFT STRUCTURE OF FOUR YEAR UNDER GRADUATE PROGRAMMES (FYUGP)

Subject- ASSAMESE

Dibrugarh University

প্ৰস্তাৱনা (Preamble)

ভাৰত চৰকাৰৰ **ৰাষ্ট্ৰীয় 'শিক্ষানীতি -২০২০'**(NEP, 2020)-ৰ **নিৰ্দেশনাৰ লগত সংগতি ৰাখি** ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰণয়ন কৰি দিয়া নিয়মাৱলী অনুসৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ পাঁচ বছৰীয়া সংহত স্নাতকোত্তৰ(integrated Post Graduate) পাঠ্যক্ৰম **প্ৰস্তুত কৰা হৈছে। পাঠ্যসূচীত অসমীয়া ভাষা**-সাহিত্য-**সংস্কৃতি বিষয়ক ক্ষেত্ৰৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ তাত্ত্বিক আৰু প্ৰায়োগিক বিচাৰ**-বিশ্লেষণত **প্ৰাথমিক গুৰুত্ব দিয়া হৈছে।** লগতে উত্তৰ-পূব ভাৰতৰ ভাষা-সাহিত্যৰ পৰিচয়, **অসমৰ বিভিন্ন নৃগোষ্ঠীয়** সংস্কৃতিৰ পৰিচয়, **ভাৰতীয় সাহিত্যআৰু বিশ্ব সাহিত্যৰ পৰিচয় বিষয়ক পাঠ্যও অন্তৰ্ভুক্ত কৰা হৈছে।** এই পাঠ্যক্ৰমত তুলনামূলক সাহিত্য, **সাহিত্যৰ সমাজতত্ত্ব আদিৰ দৰে বিভিন্ন আন্তৰ্বিদ্যাৱৰ্তী বিষয় সামৰি লোৱা হৈছে। ভাষাৰ যোগাযোগমূলক দক্ষতাৰ বিকাশ,** সৃজনশীলতাৰ বিকাশ, **ব্যক্তিত্ব বিকাশ আদিৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশ সম্বলিত বিষয়েও পাঠ্যসূচীত স্থান পাইছে। পাঠ্যক্ৰমত আধুনিক প্ৰযুক্তিৰ লগত** অসমীয়া ভাষা-**সাহিত্যৰ সম্পৰ্ক স্থাপন,** অনুবাদৰ **পৰিচয় আৰু প্ৰয়োগ** আদি **বিষয় সন্নিবিষ্ট কৰি বৃত্তিমুখী দক্ষতা বিকাশৰ পথ সুগম কৰা হৈছে। গৱেষণাকৰ্মৰ সাধাৰণ ধাৰণাসহ প্ৰায়োগিক ক্ষেত্ৰত গৱেষণাকৰ্ম সম্পাদন সম্পৰ্কীয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে ছাত্ৰ-ছাত্ৰীক গৱেষণাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰচেষ্টা কৰা** হৈছে।

পৰিচয় (Introduction)

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম নামৰ ৰাজ্যখন বিভিন্ন নৃ প্ৰজাতীয় জাতি-জনজাতিৰ বাসস্থান।সংবিধানৰ **অষ্টম অনুসূচীৰ অন্তৰ্ভুক্ত** অসমীয়া ভাষা এই ৰাজ্যৰ ৰাজ্যভাষা। **সুদীৰ্ঘ সাহিত্যিক** পৰিক্ৰমাৰে সমৃদ্ধ অসমীয়া ভাষা **আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য ভাষা।** উদ্ভৱকালৰে **পৰা বিভিন্ন ভাষিক বৈশিষ্ট্যৰে বিভিন্ন স্তৰ অতিক্ৰম কৰি** এই **ভাষা বৰ্তমান স্তৰত উপনীত হৈছেহি।** অসমীয়া **ভাষাৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় বিভিন্ন ৰূপভেদ পোৱা যায়। খৃষ্টীয় চতুৰ্দশ শতিকাৰ পৰা অসমীয়া** লিখিত **সাহিত্যৰ ধাৰাবাহিক ইতিহাস পোৱা যায়।** তেতিয়াৰে পৰা নানা স্তৰ-উপস্তৰৰ মাজেৰে **অসমীয়া সাহিত্যই** এক সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমা **অতিক্ৰম কৰিছে।** অসমীয়া ভাষা আৰু লিপিৰ **উদ্ভৱ আৰু বিকাশ,** অসমীয়া ভাষাৰ ঔপভাষিক ভিন্নতা; **অসমীয়া সাহিত্যৰ ইতিহাস** আৰু ইতিহাসৰ বিভিন্ন স্তৰ, **অসমীয়া সাহিত্যৰ বিভিন্ন** বিধা আদি ভাষা-**সাহিত্য অধ্যয়নৰ মূল দিশবোৰৰ লগত** ছাত্ৰ-ছাত্ৰী পৰিচিত হ'ব পৰাকৈ অসমীয়া বিষয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ **পাঠ্যসূচী যুগুত কৰা** হৈছে। এই পাঠ্যক্ৰমত অসমীয়া ভাষা-সাহিত্যৰ লগতে অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যৰো পৰিচয় **দিবলৈ যত্ন কৰা হৈছে। অসমৰ লগতে উত্তৰ-পূব** ভাৰতৰ ভাষিক, **সাহিত্যিক আৰু সাংস্কৃতিক বিভিন্ন বিষয়ৰ** সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাৰ প্ৰয়াসো **কৰা হৈছে।**

Program Educational Objectives (PEOs)

PEO Number	Objective Description
PEO1	• অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সজাগতা আৰু সচেতনতা বৃদ্ধি কৰা।
PEO2	• অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে ভাষা-সাহিত্যৰ ঐতিহ্য আৰু বিকাশ সম্পৰ্কীয় জ্ঞান প্ৰদান কৰা। লগতে অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিৰ হকে কাম কৰিবলৈ ছাত্ৰ-ছাত্ৰীক দায়িত্বশীল কৰি তোলা।
PEO3	• অসমত প্ৰচলিত অন্যান্য ভাষাৰ অধ্যয়নৰ জৰিয়তে অসমৰ ভাষিক বৈচিত্ৰ্য আৰু ভাষিক আদান-প্ৰদানৰ জ্ঞান দিয়া।
PEO4	• বিভিন্ন প্ৰকাৰৰ সাহিত্য আৰু সিবিলাকৰ সমালোচনা সম্পৰ্কীয় প্ৰাথমিক ধাৰণা প্ৰদান কৰা।
PEO5	• ভাৰতীয় সাহিত্যৰ অধ্যয়নৰ জৰিয়তে ভাৰতীয় সাহিত্যৰ বিচিত্ৰতা আৰু অখণ্ডতাৰ ভাৱনা ছাত্ৰ-ছাত্ৰীৰ মনত জাগ্ৰত কৰা।
PEO6	• আধুনিক তথ্য-প্ৰযুক্তিৰ লগত অসমীয়া ভাষাক সংযুক্ত কৰি অসমীয়া ভাষাৰ প্ৰযুক্তিগত বিকাশ সম্পৰ্কীয় শিক্ষা প্ৰদান।
PEO7	• বৃত্তিমুখী ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান।

Program Specific Outcomes (PSOs)

PSO Number Outcome Description	PSO Number Outcome Description
PSO1	• অসমীয়া সাহিত্যৰ বিভিন্ন বিধা, যুগ আৰু ধাৰা চিনাক্ত কৰি আলোচনা-গৱেষণা কৰাৰ সামৰ্থ্য।
PSO2	• বিভিন্ন সাহিত্য আৰু সমালোচনাত্মক ধাৰণা অৰ্জন কৰি বিভিন্ন তত্ত্বৰ আধাৰত পাঠ বিশ্লেষণ আৰু পাঠ সমালোচনাৰ অৰ্হতা।
PSO3	• অসমৰ ভাষিক-সাংস্কৃতিক-সাহিত্যক পৰম্পৰাৰ জ্ঞান লাভ।
PSO4	• ভাৰতীয় ঐতিহ্যৰ লগত পৰিচয়।
PSO5	• সৃষ্টিশীল লেখন কৌশলৰ বিকাশ।
PSO6	• অসমীয়া ভাষাত শৈক্ষিক লিখন তথা আনুষ্ঠানিক যোগাযোগৰ কৌশল আয়ত্তকৰণ।
PSO7	• সমালোচনাত্মক আৰু যুক্তিসংগত চিন্তাৰ সামৰ্থ্য।
PSO8	• অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়ন-প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত ডিজিটেল সম্পদৰ উপযোগিতা সম্পৰ্কে সজাগতা আৰু সচেতনতা সৃষ্টি।
PSO9	• সাহিত্যৰ মাধ্যমেৰে সামাজিক মূল্যবোধ আহৰণ।
PSO10	• নেট, শ্লেট তথা অন্যান্য প্ৰাসংগিক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় জ্ঞান লাভ

Program Outcomes (POs)

PO Number	Outcome Description
PO1	• স্নাতকসকলে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে ভাষা-সাহিত্যৰ বিভিন্ন বিধা, যুগ আৰু ধাৰা চিনাক্ত কৰাৰ সামৰ্থ আহৰণ কৰাৰ লগতে বিভিন্ন ভাষা-সাহিত্যৰ বিশ্লেষণাত্মক ধাৰণাৰ জৰিয়তে বিভিন্ন তত্ত্ব আৰু প্ৰেক্ষাপটৰ আধাৰত ভাষা-সাহিত্যৰ বিচাৰ-বিশ্লেষণ আৰু গৱেষণাৰ যোগ্যতা আহৰণ কৰিব।
PO2	• স্নাতকসকলে অসমীয়া ভাষাত কথন, লিখনৰ দক্ষতা বিকাশ তথা অভিব্যক্তি ক্ষমতাৰ বিকাশ সাধন কৰিব আৰু অসমীয়া ভাষাৰ কথিত, লিখিত প্ৰয়োগ তথা প্ৰযুক্তিগত প্ৰয়োগ সম্পৰ্কীয় সমস্যা সমাধানৰ প্ৰয়াস কৰিব।
PO3	• ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে অসমৰ ভাষিক-সাহিত্যিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু ভাষিক-সাহিত্যিক-সাংস্কৃতিক দিশত বিবিধ আদান-প্ৰদানৰ জ্ঞান প্ৰদান কৰা আৰু ভাষা-সাহিত্য-সংস্কৃতি অধ্যয়ন সম্পৰ্কীয় তুলনামূলক দৃষ্টিভংগীৰ বিকাশ সাধন কৰিব।
PO4	• স্নাতকসকলে বিভিন্ন প্ৰকাৰৰ সাহিত্য আৰু সিবিলাকৰ সমালোচনা সম্পৰ্কীয় প্ৰাথমিক ধাৰণা লাভ কৰি জাতিটোৰ শৈক্ষিক প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে উন্নত অধ্যয়ন আৰু গৱেষণামূলক কাৰ্য্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব।
PO5	• স্নাতকসকলে ভাৰতীয় সাহিত্যৰ অধ্যয়নৰ জৰিয়তে ভাৰতীয় সাহিত্যৰ বিচিত্ৰতা আৰু অখণ্ডতাৰ জ্ঞান লাভ কৰিব।
PO6	• অসমৰ বহুসাংস্কৃতিক ক্ষেত্ৰৰ জ্ঞান লাভ কৰাৰ উপৰিও ভাৰতীয় সাহিত্যৰ মাধ্যমেৰে ভাৰতৰ বিভিন্ন আঞ্চলিক সংস্কৃতিৰ ধাৰণা লাভ কৰিব।
PO7	• স্নাতকসকলে আধুনিক তথ্য-প্ৰযুক্তিৰ লগত অসমীয়া ভাষাক সংযুক্ত কৰি অসমীয়া ভাষাৰ প্ৰযুক্তিগত বিকাশ সম্পৰ্কীয় শিক্ষা লাভ কৰিব আৰু অসমীয়া ভাষাত ই-পেজ, ই-মেগাজিন আৰু ই-কন্টেণ্ট নিৰ্মাণ কৰি প্ৰযুক্তিগত দিশত অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধি আৰু বিকাশ সাধন কৰিব।
PO8	• স্নাতকসকলে পেছাদাৰী সততা, নৈতিক আচৰণ আৰু নিজৰ শৈক্ষিক ক্ষেত্ৰত বৃত্তিমুখী ব্যৱহাৰিক প্ৰশিক্ষণ লাভৰ জৰিয়তে নতুন দক্ষতা, কৌশল আয়ত্ব কৰিব।
PO9	• স্নাতকসকলে ভাষা-সাহিত্যৰ লগত সম্পৰ্কিত বিভিন্ন বৃত্তিগত অৰ্হতা (যেনে -- বৃত্তিগত লেখক-সমালোচক, সম্পাদক, অনুবাদক আদি) অৰ্জন কৰিব।

মূল্যায়ন পদ্ধতি (Assessment Method)

১. আভ্যন্তৰীণ মূল্যায়ন(Internal Assessment)= ৪০ নম্বৰ

- *এটা আভ্যন্তৰীণ পৰীক্ষা- ২০ নম্বৰ*
- *গৃহকৰ্ম/দলীয়আলোচনা/চেমিনাৰ- ২০ নম্বৰ*

২.বাহ্যিক মূল্যায়ন(External Assessment) : অন্তিম ষান্মাসিকৰ পৰীক্ষা

= ৬০ নম্বৰ,(৪ আৰু ৩ ক্ৰেডিটৰ বাবে)

FYUGP Structure as per UGC Credit Framework of December, 2022

Year	Semester	Course	Title of the Course	Total Credit
Year 01	1st Semester	C - 1	অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস (Introduction to History of Assamese Language and Script)	4
		Minor 1	অসমৰ ভাষা আৰু লিপি (Languages and scripts of Assam)	4
		GEC - 1	i) ভাৰতীয় সাহিত্যৰ পৰিচয় (Introduction to Indian Literature) ii) সাহিত্য পৰ্যালোচনা (Literary Appreciation)	3
		AEC 1	**অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ**(Skill and ability enhancement in Assamese Language)	4
		VAC 1/ VAC 2	Understanding India/ Health and Wellness	2
		SEC 1	ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল(Personality Development & Soft Skill)	3
				20
	2nd Semester	C - 2	অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস (Introduction to History of Assamese Literature)	4
		Minor 2	অসমীয়া সাহিত্যৰ বুৰঞ্জী (History of Assamese Literature)	4
		GEC 2	i) সৃজনীশীল লেখন (Creative Writing) ii) উত্তৰ-পূব ভাৰতৰ সাহিত্য (Literature of North-East India)	3
		AEC 2	English Language and Communication Skills	4
		VAC 3/ VAC 4	Environmental Science/ Yoga Education	2
		SEC 2	i) কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰ (Application of Assamese Language in Computer) ii) ছপা মাধ্যমৰ বিজ্ঞাপন প্ৰস্তুতকৰণ (Preparation ofAdvertisementforPrint Media)	3
				20

The students on exit shall be awarded Undergraduate Certificate (in the Field of Study/Discipline) after securing the requisite 40 Credits in Semester 1 and 2 provided they secure 4 credits in work based vocational courses offered during summer term or internship / Apprenticeship in addition to 6 credits from skill based courses earned during 1st and 2nd Semester

Year 02	3rd Semester	C - 3	অসমীয়া সংস্কৃতিৰ স্বৰূপ(Nature of Assamese Culture)	4
		C - 4	তুলনামূলক সাহিত্য : পদ্ধতি আৰু প্ৰয়োগ (Theory and Practice of Comparative Literature)	4
		Minor 3	অসমৰ সংস্কৃতি অধ্যয়ন (Studies on the Culture of Assam)	4
		GEC – 3	i) অনুবাদঃ তত্ত্ব আৰু প্ৰয়োগ (Translation: Theory and Application) ii) উত্তৰ-পূব ভাৰতৰ ভাষাৰ পৰিচয় (Introduction to Languages of North-East India)	3
		VAC 3	Digital and Technological Solutions / Digital Fluency	2
		SEC – 3	সম্পাদনা আৰু আৰ্হি কাকত শুধৰণি (Editing and Proof Reading)	3
				20
	4th Semester	C - 5	অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি	4
		C - 6	ভাৰতীয় আৰ্যভাষাৰ পৰিচয়মূলক ইতিহাস	4
		C - 7	অসমীয়া কবিতা	4
		C - 8	ভাষাবিজ্ঞানৰ পৰিচয়	4
		Minor 4	অসমীয়া কবিতা	4
				20
Grand Total (Semester I, II, III and IV)				80
The students on exit shall be awarded Undergraduate Diploma (in the Field of Study/Discipline) after securing the requisite 80 Credits on completion of Semester IV provided they secure additional 4 credit in skill based vocational courses offered during First Year or Second Year summer term				
Year 03	5th Semester	C – 9	অনুবাদ : তত্ত্ব আৰু প্ৰয়োগ	4
		C – 10	যোগাযোগমূলক অসমীয়া	4
		C – 11	সাহিত্যতত্ত্ব আৰু সমালোচনা(প্ৰাচ্য)	4
		Minor 5	ভাৰতীয় ভাষাৰ পৰিচয়	4
			Internship+ Community Engagement/ Project	2+2/4
				20
Year 03	6th Semester	C – 12	অসমীয়া কাহিনী সাহিত্য	4
		C – 13	পাশ্চাত্য সাহিত্য সমালোচনা	4
		C – 14	অসমীয়া নাটক	4
		C – 15	অসমীয়া ভাষাৰ গঠন	4
		Minor – 6	উত্তৰ-পূৰ ভাৰতৰ ভাষা	4
			Total	20
Grand Total (Semester I, II, III and IV, V and VI)				120

The students on exit shall be awarded Bachelor of (in the Field of Study/Discipline) Honours (3 years) after securing the requisite 120 Credits on completion of Semester 6				
Year 04	7^{th} Semester	C – 16	সাহিত্যৰ সমাজতত্ত্ব	4
		C – 17	অসমীয়া কাহিনী-বিযুক্ত সাহিত্য	4
		C – 18	অসমীয়া ভাষাৰ ৰূপভেদ	4
		Minor – 7	তুলনামূলক ভাৰতীয় সাহিত্য	4
		RM	Research Ethics and Methodology	4
				20
	8^{th} Semester	C – 19	আধুনিক অসমীয়া ভাষাৰ গতি-প্রকৃতি	4
		C – 20	ভাৰতীয় সাহিত্যৰ পৰিচয়	4
		Minor – 8	অসমীয়া ভাষা অধ্যয়নৰ ইতিহাস	4
		Dissertation/ DSE-1/ DSE-2/	Dissertation (Collection of Data, Analysis and Preparation ofReport) / **2 DSCs of 3 credits each in lieu of Dissertation** অসমীয়া সাহিত্যৰ বিধা বৈচিত্র্য(4 **credits)** অসমীয়া সাহিত্য শৈলীগত বিচাৰ(4 **credits)**	8/4+4
				20
Grand Total (Semester I, II, III and IV, V, VI, VII and VIII)				160
The students on exit shall be awarded Bachelor of (in the Field of Study/Discipline) (Honours with Research)(4 years) after securing the requisite 160 Credits on completion of Semester 8				

Abbreviations Used:

- C = Major
- GEC = Generic Elective Course / Multi Disciplinary Course
- AEC = Ability Enhancement Course
- SEC = Skill Enhancement Course
- VAC = Value Added Course

SEMESTER-I

Title of the Course : **অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস**

(Introduction to History of Assamese Language and Script)

Course Code : ASMC1

Nature of the Course : Core

Total Credits : 04

Distribution of Marks: 60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

এই কাকতখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা আৰু উপভাষাৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া ভাষা তথা লিপিৰ মূল, উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে থূলমূল পৰিচয় পাব।

উদ্দেশ্য

১. অসমীয়া ভাষা আৰু উপভাষাৰ সাধাৰণ পৰিচয় প্ৰদান কৰা।

২. অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল সম্পৰ্কীয় বিভিন্ন মতসমূহৰ পৰিচয় দিয়া।

৩. অসমীয়া ভাষাৰ বিকাশৰ বিভিন্ন স্তৰ-উপস্তৰৰ সময়সীমা, নামকৰণ, অধ্যয়নৰ সমল আৰু ভাষিক বৈশিষ্ট্য সম্পৰ্কে পৰিচয় প্ৰদান কৰা।

৪. অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে আভাস দিয়া।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO 1: অসমীয়া ভাষা আৰু উপভাষাৰ সাধাৰণ পৰিচয় প্ৰদান কৰা হ'ব।

ILO 1: অসমীয়া ভাষাৰ প্ৰচলন, মৰ্যদা, ভাষিক বৈশিষ্ট্য সম্পৰ্কে অৱগত হ'ব।

ILO 2: অসমীয়া ভাষাৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় ঔপভাষিক ৰূপৰ পৰিচয় লাভ কৰিব।

ILO 3: সংযোগী ভাষা ৰূপে অসমীয়া ভাষাৰ ভূমিকা বিচাৰ কৰিব পাৰিব।

CO 2: অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল সম্পৰ্কীয় বিভিন্ন মতসমূহৰ পৰিচয় দিয়া হ'ব।

ILO1 : অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল সম্পৰ্কীয় বিভিন্ন মত সমূহৰ বিষয়ে আভাস পাব ।

ILO1 : অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল সম্পৰ্কীয় বিভিন্ন মত সমূহৰ বিশ্লেষণ কৰি এটা নিজা দৃষ্টিভংগী বা ধাৰণা লাভ কৰিব

CO 3: অসমীয়া ভাষাৰ ইতিহাসৰ পৰিচয় দিয়া হ'ব।

ILO1 : অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰ সম্পৰ্কে আভাস পাব

ILO2 : অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰসমূহৰ নামাকৰণ আৰু অধ্যয়নৰ সমল সম্পৰ্কে জানিব পাৰিব

CO 4 : অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে আভাস দিয়া হ'ব।

ILO1 : অসমীয়া লিপিৰ মূল আৰু ক্ৰমবিকাশৰ ধাৰণা লাভ কৰিব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সর্বমুঠ	নম্বৰ বিতৰণ
১	**অসমীয়া ভাষাৰ সাধাৰণ পৰিচয়** : নামকৰণ, ভাষিক মর্যাদা, প্রচলন ক্ষেত্র, ভাষা-ভাষীৰ সংখ্যা, ভাষিক বৈশিষ্ট্য, আঞ্চলিক আৰু নৃগোষ্ঠীয় ঔপভাষিক ৰূপ, সংযোগী ভাষাৰ ভূমিকা	১৬	০৪	২০	১৫
২	**অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল :** মূল আৰু উদ্ভৱ কাল সম্পর্কীয় বিভিন্ন মতৰ থূলমূল পৰিচয়।	০৮	০২	১০	১৩
৩	**অসমীয়া ভাষাৰ ইতিহাসৰ বিভিন্ন স্তৰ-উপস্তৰ :** সময়সীমা, নামকৰণ, অধ্যয়নৰ সমল আৰু ভাষিক বৈশিষ্ট্য সম্পর্কে সংক্ষিপ্ত পৰিচয়।	১৬	০৪	২০	১৮
৪	**অসমীয়া লিপিৰ মূল, উদ্ভৱ আৰু ক্রমবিকাশ**	০৮	০২	১০	১৪
	সর্বমুঠ	৪৮	১২	**৬০**	৬০

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্র প্রস্তুত আৰু উপস্থাপন
  - গৃহকৃত কর্ম

প্রসংগ পুথি :

অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ : ডঃ উপেন্দ্রনাথ গোস্বামী, মণি-মাণিক প্রকাশ, গুৱাহাটী

অসমীয়া ভাষাৰ ইতিহাস : ডঃ ৰমেশপাঠক, অশোক বুকষ্টল, গুৱাহাটী

Assamese, Its Formation and Development : Banikanta Kakati, LBS, Guwahati, 1995

অসমীয়া ভাষাৰ গঠন আৰু বিকাশ : বিশ্বেশ্বৰ হাজৰিকা (অনুবাদ), বৰপেটা সাহিত্য সভা, পৰিবেশক : বীণা লাইব্রেৰী, গুৱাহাটী

অসমীয়া ভাষা আৰু সংস্কৃতি : ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, জার্ণাল এম্প'ৰিয়াম, নলবাৰী

ভাষা তৰঙ্গিনী : ডঃ গোলোকচন্দ্র গোস্বামী, অসম প্রকাশন পৰিষদ, গুৱাহাটী

ভাষা-ভাষণিকা : ডঃ শ্রীগোলোকচন্দ্র গোস্বামী, বীণা লাইব্রেৰী, গুৱাহাটী

উদ্ভৱকালীন অসমীয়া ভাষা : সুবাসনা মহন্ত, অসম বুক ট্রাষ্ট, গুৱাহাটী

অসমীয়া ভাষা আৰু উপভাষা : উপেন ৰাভা হাকাছাম, জ্যোতি প্রকাশন, গুৱাহাটী

অসমৰ ভাষা : ভীমকান্ত বৰুৱা, বনলতা, ডিব্রুগড়

অসমীয়া ভাষাৰ উপভাষা : দীপ্তি ফুকন পাটগিৰি (সম্পাদনা), প্রকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

অসমীয়া লিপি : ডঃ উপেন্দ্রনাথ গোস্বামী, মণি-মাণিক প্রকাশ, গুৱাহাটী

আধুনিক ভাৰতীয় ভাষা প্রসংগে : পৰেশচন্দ্র মজুমদাৰ, দে'জ পাবলিশিং, কলকাতা

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge			CO1			
Conceptual Knowledge		CO 2				
Procedural Knowledge				CO3	CO4	
Meta cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	L	M	L	N	N	N	L	N	N
CO2	M	L	L	N	N	N	L	N	N
CO3	S	L	L	N	N	N	L	N	N
CO4	M	L	L	N	N	N	L	N	N

SEMESTER-I

Title of the Course	:	**অসমৰ ভাষা আৰু লিপি** (Language and Scripts of Assam)
Course Code	:	MINASM1
Nature of the Course	:	Minor
Total Credits	:	04
Distribution of Marks	:	60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

এই কাকতখনৰ যোগেদি অসমীয়া ভাষাৰ লগতে অসমৰ ভাষাসমূহৰ পৰিচয়ৰ লাভ কৰিব আৰু অসমীয়া ভাষা তথা লিপিৰ মূল, উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে থূলমূল পৰিচয় পাব।

উদ্দেশ্য

১. অসমত প্ৰচলিত ভাষাসমূহৰ সাধাৰণ পৰিচয় প্ৰদান কৰা।

২. অসমীয়া ভাষা আৰু উপভাষা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক আভাস দিয়া।

৩. অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাসমূহৰ ভাষিক উপাদানসমূহৰ আদান-প্ৰদান সম্পৰ্কে পৰিচয় আগবঢ়োৱা।

৪. অসমীয়া লিপি আৰু অসমৰ অন্যান্য ভাষাৰ লিপিসমূহৰ পৰিচয় প্ৰদান কৰা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO 1 : অসমত প্ৰচলিত ভাষাসমূহৰ সাধাৰণ পৰিচয় প্ৰদান কৰা হ'ব।

ILO 1: অসমত প্ৰচলিত বিভিন্ন আৰ্যমূলীয় ভাষাৰ পৰিচয় লাভ কৰিব।

ILO 2: অসমত প্ৰচলিত বিভিন্ন আৰ্যমূলীয় ভাষাসমূহৰ বাদেও বিভিন্ন আৰ্যভিন্ন ভাষা সমূহৰ বিষয়েও ধাৰণা লাভ কৰিব।

CO 2 : অসমীয়া ভাষা আৰু উপভাষা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক আভাস দিয়া হ'ব।

ILO 1: অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ সম্পৰ্কে জানিব পাৰিব।

ILO 2: অসমীয়া ভাষাৰ ভৌগোলিক আৰু নৃগোষ্ঠীয় ঔপভাষিক বৈচিত্ৰ্য সম্পৰ্কে জানিব পাৰিব।

CO 3 :অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাসমূহৰ ভাষিক উপাদানসমূহৰ আদান-প্ৰদান সম্পৰ্কে পৰিচয় আগবঢ়োৱা হ'ব।

ILO 1: আৰ্যভিন্ন ভাষাসমূহৰসৈতে অসমীয়া ভাষাৰ ভাষিক উপাদানসমূহৰ আদান-প্ৰদান সম্পৰ্কে অৱগত হ'ব।

CO 4 : অসমীয়া লিপি আৰু অসমৰ অন্যান্য ভাষাৰ লিপিসমূহৰ পৰিচয় প্ৰদান কৰা হ'ব।

ILO 1: অসমীয়া লিপি আৰু অসমত প্ৰচলিত বিভিন্ন ভাষাৰ লিপিসমূহৰ পৰিচয় লাভ কৰিব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সর্বমুঠ	নম্বৰ বিতৰণ
১	**অসমৰ ভাষাসমূহৰ সাধাৰণ পৰিচয় :** (ক) অসমৰ আর্যমূলীয় ভাষাৰ পৰিচয় (খ) অসমৰ আর্যভিন্ন ভাষাৰ পৰিচয়	১০	০৫	১৫	১৫
২	**অসমীয়া ভাষা আৰু উপভাষা :** (ক) অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য (খ) অসমীয়া ভাষাৰ উপভাষাৰ পৰিচয়	১৪	০৪	১৮	১৫
৩	**অসমীয়া ভাষা আৰু আর্যভিন্ন ভাষাৰ আদান-প্রদান :** (ক) অসমীয়া ভাষাত আর্যভিন্ন ভাষাৰ উপাদান (খ) অসমৰ আর্যভিন্ন ভাষাত অসমীয়া ভাষাৰ উপাদান	১০	০২	১২	১৫
৪	অসমীয়া লিপি আৰু অসমৰ অন্যান্য ভাষাৰ লিপি	১০	০৫	১৫	১৫
	সর্বমুঠ	৪৪	১৬	৬০	৬০

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্র প্রস্তুত আৰু উপস্থাপন
  - গৃহকৃত কর্ম

প্রসংগ পুথি :

অসমৰ ভাষা :ভীমকান্ত বৰুৱা, বনলতা, ডিব্রুগড়

অসমীয়া ভাষা আৰু উপভাষা : উপেন ৰাভা হাকাছাম, জ্যোতি প্রকাশন, গুৱাহাটী

অসমীয়া ভাষাৰ উপভাষা : দীপ্তি ফুকন পাটগিৰি (সম্পাদনা), প্রকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

Assamese, Its Formation and Development : Banikanta Kakati, LBS, Guwahati, 1995

অসমীয়া ভাষাৰ গঠন আৰু বিকাশ : বিশ্বেশ্বৰ হাজৰিকা (অনুবাদ), বৰপেটা সাহিত্য সভা

অসমীয়া ভাষা আৰু সংস্কৃতি : বিৰিঞ্চি কুমাৰ বৰুৱা, জার্ণাল এম্প'ৰিয়াম, নলবাৰী

অসমীয়া ভাষা-চিন্তন : অর্পণা কোঁৱৰ, বনলতা, ডিব্রুগড়

অসমীয়া লিপি : ডঃ উপেন্দ্রনাথ গোস্বামী, মণি-মাণিক প্রকাশ, গুৱাহাটী

অসমীয়াৰ উপভাষা আৰু লিপি : অর্পণা কোঁৱৰ, বনলতা, ডিব্রুগড়

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge		CO1				
Conceptual Knowledge			CO 2	CO3		
Procedural Knowledge				CO4		
Meta cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	L	M	L	N	N	N	L	N	N
CO2	M	L	L	N	N	N	L	N	N
CO3	S	L	L	N	N	N	L	N	N
CO4	M	L	L	N	N	N	L	N	N

SEMESTER -1

Title of the Course	:	**ভাৰতীয় সাহিত্যৰ পৰিচয়** (Introduction to Indian Literature)
Course Code	:	GECASM1A
Nature of the Course	:	Generic Elective Course
Total Credits	:	03
Distribution of Marks	:	60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

বহু ভাষাৰে প্ৰকাশ লাভ কৰা ভাৰতীয় সাহিত্যৰ একক ৰূপত পৰিচয় প্ৰদানৰ লগতে নিৰ্বাচিত ৰচনাৰ অধ্যয়নৰ যোগেদি তাৰ কিছু আভাস দিবৰ উদ্দেশ্যেৰে এই কাকতখনি পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা হৈছে।

উদ্দেশ্যঃ

- ভাৰতীয় সাহিত্যৰ ধাৰণা প্ৰদান কৰি স্বৰূপ স্পষ্ট কৰা ।
- ভাৰতীয় সাহিত্যৰ অধ্যয়নৰ জৰিয়তে পৰম্পৰাগত ভাৰতীয় জীৱনবোধৰ ধাৰণা দিয়া ।
- ভাৰতীয় সাহিত্যত প্ৰবাহিত ভাৰতীয় আদৰ্শৰ লগত পৰিচয় কৰোঁৱা ।
- আধুনিক ভাৰতীয় সাহিত্যৰ বিষয়-বৈচিত্ৰ্য আৰু ৰূপ-বৈচিত্ৰ্যৰ লগত চিনাকি কৰোঁৱা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO1: **ভাৰতীয় সাহিত্যৰ ধাৰণা প্ৰদান কৰা ।**

ILO1 বহুভাষিক ভাৰতীয় সাহিত্যৰ অখণ্ড স্বৰূপৰ ধাৰণা লাভ কৰিব।

ILO2: ভাৰতীয় সাহিত্য উৎপত্তি আৰু ইতিহাসৰ বিষয়ে জানিব পাৰিব।

ILO3: বৈচিত্ৰ্যময় ভাৰতীয় সাহিত্য অধ্যয়নৰ সমস্যা সম্পৰ্কে জ্ঞান লাভ কৰিব ।

CO2: **প্ৰাচীন ভাৰতীয় সাহিত্যৰ নিৰ্বাচিত পাঠৰ অধ্যয়ন**

ILO1: ভাৰতীয় পৰম্পৰাৰ পাৰিবাৰিক-সামাজিক সম্পৰ্কৰ মৰ্যাদা আৰু দায়ৱদ্ধতাৰ আদৰ্শ শিকিব পাৰিব

ILO2: ভাৰতীয় দৰ্শনে নিৰ্দেশ কৰা পাৰ্থিৱ মোহ আৰু আসক্তিৰ অনিত্যতা সম্পৰ্কে ধাৰণা লাভ কৰিব।

CO3: **ভক্তি সাহিত্যৰ নিৰ্বাচিত পাঠৰ অধ্যয়ন**

ILO1: কবীৰৰ ‘দোহা’ৰ জৰিয়তে ভাৰতীয় বৈষ্ণৱ দৰ্শনৰ সাৰ্বজনীন ঐক্যৰ জ্ঞান লাভ কৰিব ।

ILO2: জগন্নাথ দাসৰ ভাগৱতৰ জৰিয়তে ভক্তি সাহিত্যত প্ৰতিফলিত ভাৰতীয় আদৰ্শক অনুধাৱন কৰিব।

ILO3: মাধৱদেৱৰ ভক্তি সাহিত্যত সন্নিৱিষ্ট হোৱা বিনয় আৰু সমৰ্পনৰ নৱবৈষ্ণৱ আদৰ্শ শিকিব পাৰিব।

CO4: **আধুনিক ভাৰতীয় সাহিত্যৰ নিৰ্বাচিত পাঠৰ অধ্যয়ন**

ILO1: আধুনিক ভাৰতীয় সাহিত্যৰ বিকশিত বিষয়-বৈচিত্ৰ্যৰ পৰিচয় লাভ কৰিব।

ILO2: আধুনিক ভাৰতীয় সাহিত্যৰ বিভিন্ন প্ৰকাৰ(Genre)ৰ বৈচিত্ৰ্যৰ লগত চিনাকি হ’ব পাৰিব ।

ILO3: আধুনিক ভাৰতীয় সাহিত্যত প্ৰতিফলিত ভাৰতীয় জনজীৱন আৰু জীৱনবোধৰ পৰিচয় পাব ।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সর্বমুঠ	নম্বৰ বিতৰণ
১	ভাৰতীয় সাহিত্যৰ ধাৰণা ভাৰতীয় সাহিত্যৰ ধাৰণাৰ উৎপত্তি আৰু বিকাশ, ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্য।	১২	০২	১৪	২০
২	ভাৰতীয় কবিতাৰ চানেকি জীৱনানন্দ দাস (বনলতা সেন) ৰমাকান্ত ৰথ (অশ্বাৰোহী) সর্বেশ্বৰ দয়াল সক্সেনা (কাঠৰ ঘন্টাবোৰ)	০৭	০২	০৯	১০
৩	ভাৰতীয়, চুটিগল্পৰ চানেকি খুৰী আইতা (প্রেমচন্দ) জামুগছ (কৃষণ চন্দৰ) হাতী আৰু হাৰিকেন লেম্প (সুপ্রিয়া পণ্ডা)	০৭	০২	০৯	১৫
৪	ভাৰতীয় উপন্যাস/ নাটকৰ চানেকি ক)এটি কলি দুটি পাত মূলঃ মুল্কৰাজ আনন্দ অনুবাদঃ বাবুল তামুলী খ)হানুছ মূল. ভীষ্ম সাহনী অনু. নীৰাজনা মহন্ত বেজবৰা	১০	০৩	১৩	১৫
	মুঠ	৩৬	০৯	৪৫	৬0

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্র প্রস্তুত আৰু উপষ্ঠাপন
  - গৃহকৃত কর্ম

প্রসংগ পুথি

- *তুলনামূলক ভাৰতীয় সাহিত্যৰ অভিমুখে : নীৰাজনা মহন্ত বেজবৰা, বনলতা, ডিব্রুগড়*
- *আধুনিক ভাৰতীয় সাহিত্য : শৈলেন ভৰালী, চন্দ্র প্রকাশ, গুৱাহাটী*
- *কবিতাৰ মাধুকৰী : কৰবী ডেকা হাজৰিকা(সম্পা), কৌস্তুভ প্রকাশন, ডিব্রুগড়*
- *হানুছ : নীৰাজনা মহন্ত বেজবৰুৱা (অনু.), বনলতা, ডিব্রুগড়*
- *জীৱনৰ অন্য এক নাম : নীৰাজনা মহন্ত বেজবৰুৱা (অনু.), বনলতা, ডিব্রুগড়*
- *এটি কলি দুটি পাত : বাবুল তামুলী (অনু), আলিবাট, গুৱাহাটী*

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	**Understand**	**Apply**	**Analyze**	**Evaluate**	**Create**
Factual Knowledge	CO1	CO1, CO2, CO3, CO4		CO1, CO2, CO3, CO4	CO1, CO2, CO3, CO4	
Conceptual Knowledge		CO1, CO2, CO3, CO4				
Procedural Knowledge				CO4		
Meta Cognitive Knowledge		CO1, CO4				

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	S	M	S	S	S	S	N	N	N
CO2	S	N	S	S	S	S	N	N	N
CO3	S	M	S	S	S	S	N	N	N
CO4	S	S	M	S	S	M	N	N	N

SEMESTER-1

Title of the Course	:	**সাহিত্য পর্যালোচনা** (Literary Appreciation)
Course Code	:	GECASM1B
Nature of the Course	:	Generic Elective Course
Total Credits	:	03
Distribution of Marks	:	60 (End Sem) + 40 (In-Sem)

প্রস্তাৱনা

এই কাকতৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য পর্যালোচনাৰ প্ৰাথমিক ধাৰণাসমূহৰ সৈতে পৰিচয় কৰি দিয়া হব।সাহিত্য পর্যালোচনাই কিদৰে পাঠকক এখন গ্ৰন্থৰ সৈতে পৰিচয় কৰি দি গ্ৰন্থখন অধ্যয়নৰ বাবে আগ্ৰহী কৰি তুলিব পাৰে, সেই কৌশলসমূহৰ পৰিচয় ইয়াত প্ৰদান কৰা হব। গণমধ্যমৰ ক্ৰমাগত বিস্তৃতিৰ মাজত সাহিত্য পর্যালোচনা এক পেচাদাৰী বৃত্তিত পৰিণত হৈছে। এই কাকতৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক এনে পেছাৰ বাবে দক্ষ কৰি তোলাৰ প্ৰাথমিক আধাৰটো প্ৰস্তুত কৰা হব।

উদ্দেশ্য

1. ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য পর্যালোচনাৰ প্ৰাথমিক ধাৰণাসমূহৰ সৈতে পৰিচয় কৰি দিয়া হ'ব
২. পাঠকক গ্ৰন্থৰ সৈতে পৰিচয় কৰাই গ্ৰন্থ অধ্যয়নৰ বাবে আগ্ৰহী কৰি তুলাৰ কৌশলসমূহৰ পৰিচয় প্ৰদান কৰা হব।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO 1: সাহিত্য পর্যালোচনাৰ বিভিন্ন তাত্ত্বিক প্ৰসংগ সমূহৰ সৈতে পৰিচয় কৰা হ'ব।

ILO 1: সাহিত্য পর্যালোচনাৰ সৈতে পৰিচিত হ'ব।

ILO 2: সাহিত্য পর্যালোচনাৰ বিভিন্ন পদ্ধতি সম্পর্কে অৱগত হ'ব।

CO 2: সাহিত্য পর্যালোচনাৰ বিভিন্ন তাত্ত্বিক প্ৰসংগ সমূহৰ সৈতে পৰিচয় কৰা হ'ব।

ILO 1:সাহিত্য পর্যালোচনা আৰু সাহিত্য সমালোচনাৰ মাজৰ পার্থক্য সম্পর্কে অৱগত হ'ব।

ILO 2: সাহিত্যিক উপকৰণসমুহৰ বিষয়ে ধাৰণা লাভ কৰিব।

CO3 : সাহিত্য পর্যালোচনাৰ অভিগমন (Approach) **আৰু স্তৰ সম্পর্কে অৱগত কৰা হ'ব।**

ILO 1:সাহিত্যকর্মৰ পৰিপ্ৰেক্ষিত, গঠন, সাহিত্যিক উপকৰণ, সাৰবস্তুৰ ধাৰণা লাভ কৰিব

ILO 2:সাহিত্য পর্যালোচনাৰ স্তৰ সম্পর্কে অৱগত হ'ব।

ILO 3:নিৰ্বাচিত পাঠৰ আধাৰত সাহিত্য পর্যালোচনাৰ কৌশল সমূহ আয়ত্ব কৰিব পাৰিব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	ব্যৱহাৰিক অনুশীলন	সৰ্বমুঠ	নম্বৰ বিতৰণ
১	**সাহিত্য পৰ্যালোচনাৰ তাত্ত্বিক প্ৰসংগ :** সাহিত্য পৰ্যালোচনাৰ সংজ্ঞা সাহিত্য পৰ্যালোচনাৰ পদ্ধতি (পৰিচয়মূলক, বিশ্লেষণাত্মক, সমীক্ষাত্মক)	৭	০৪		১১	১৮
২	**সাহিত্য পৰ্যালোচনাৰ পৰ্যবেক্ষণীয় উপাদান :** প্লট, বিষয়, ষ্টাইল, মেজাজ, বাক্ বিন্যাস প্ৰণালী (Diction), সাহিত্যিক উপকৰণসমুহ সাহিত্য পৰ্যালোচনা আৰু সাহিত্য সমালোচনাৰ মাজৰ পাৰ্থক্য	৮	০৪		১২	১৭
৩	**সাহিত্য পৰ্যালোচনাৰ অভিগমন** (Approach) **আৰু স্তৰ :** অভিগমন : সাহিত্যকৰ্মৰ পৰিপ্ৰেক্ষিত, গঠন, সাহিত্যিক উপকৰণ, সাৰবস্তু স্তৰঃ পঠন, ৰসাস্বাদন, সংশ্লেষণ, পৰ্যালোচনা	১০	০৫		১৫	১৫
৪	**পৰ্যালোচনাৰ বাবে নিৰ্বাচিত পাঠ** (বিষয় শিক্ষকে চমু পাঠ নিৰ্বাচন কৰি পৰ্যালোচনা কৰিবলৈ শিকাব)			০৭	০৭	১০
	সৰ্বমুঠ	২৫	১৩	০৭	৪৫	৬০

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্ৰ প্ৰস্তুত আৰু উপষ্ঠাপন
  - গৃহকৃত কৰ্ম

প্ৰসংগ পুথি

উপন্যাসৰ আধুনিক সমালোচনা (১ম আৰু ২য় খণ্ড): ড° হীৰেন গোহাঁই

কবিতাৰ বিচাৰ আৰু নতুন সমালোচনাঃ ড° হীৰেন গোহাঁই

সাহিত্য আৰু চেতনাঃ ড° হীৰেন গোহাঁই

কবিতাৰ সবিশেষঃ ইমদাদ উল্লাহ

চুটিগল্পঃ উদয় দত্ত

সাহিত্য সমালাচনা তত্ত্বৰ চমু পৰিচয়ঃ ড° আনন্দ বৰমুদৈ, বনলতা

সাহিত্য উপক্ৰমণিকাঃ মহেন্দ্ৰ বৰা

সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্বঃ নাহেন্দ্ৰ পাদুন

Elements of Literature: Essay, Fiction, Poetry, Drama, Film: Robert Scholes and others (Oxford)

The Making of Literature: R. A. Scott-James

An Introduction to Study of Literature: W. H. Hudson

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge		CO1				
Conceptual Knowledge			CO 2			
Procedural Knowledge					CO3	
Meta cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	N	M	L	S	N	N	L	N	N
CO2	N	L	L	S	N	N	L	N	N
CO3	N	L	L	S	N	L	N	S	S

SEMESTER-1

Title of the Course :**অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতাবিকাশ**

(Skill and ability enhancement in Assamese Language)

Course Code : AECASM1

Nature of the Course : Ability Enhancement Course

Total Credits : 04

Distribution of Marks : 60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

অসমীয়া ভাষাৰ কথন আৰু লিখন কৌশলৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিবৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে। দৈনন্দিন ব্যৱহাৰিক ক্ষেত্ৰত অসমীয়া ভাষাৰে বিভিন্ন ধৰণৰ যোগাযোগ কাৰ্য সম্পাদন কৰাত এই কাকতখন সহায়ক হ'ব।

উদ্দেশ্য

- অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ আৰু শব্দৰ প্ৰয়োগৰ ক্ষেত্ৰত সচেতন কৰা।
- অসমীয়া ভাষাৰ বিভিন্ন লেখন কৌশলসমূহৰ পৰিচয় কৰাই দিয়া।
- দৈনন্দিন ব্যৱহাৰিক ক্ষেত্ৰত অসমীয়া ভাষাৰ যোগাযোগ বৃদ্ধি কৰা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO1: অসমীয়া ভাষাৰ কথন আৰু লেখন কৌশলৰ পৰিচয় পাব।

ILO1 : অসমীয়া ভাষাৰ উচ্চাৰণগত দিশৰ সৈতে জড়িত বিভিন্ন কৌশল সম্পৰ্কে অৱগত হ'ব।

ILO2: 'ভাল লেখন' ৰ কৌশল সম্পৰ্কে অৱগত হ'ব।

ILO3: অসমীয়া ভাষাৰ জতুৱা প্ৰয়োগ সম্পৰ্কে অৱগত হ'ব।

CO2 : অসমীয়া ভাষাৰ প্ৰয়োগৰ বিভিন্ন দিশৰ সৈতে পৰিচিত হ'ব।

ILO1 : বিভিন্ন প্ৰকাৰৰ পত্ৰ আৰু প্ৰতিবেদন লেখনৰ কৌশল সম্পৰ্কে অৱগত হ'ব।

ILO1 : বিদ্যায়তনিক প্ৰবন্ধ আৰু নিৰ্বাচিত পাঠৰ সমালোচনাৰ কৌশল আয়ত্ব কৰিব।

CO3 : ভাষা- সাহিত্য বিষয়ক বোধগম্যতাৰ পৰীক্ষণ।

ILO1 : নিৰ্বাচিত পাঠৰ আধাৰত ভাষা- সাহিত্য বিষয়ক বোধগম্যতাৰ পৰীক্ষণৰ জড়িয়তে ছাত্ৰ- ছাত্ৰী সকলৰ বিশ্লেষণ প্ৰতিভা আৰু মূল্যাংকন ক্ষমতাৰ বৃদ্ধি হ'ব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সর্বমুঠ	নম্বৰ বিতৰণ
১	অসমীয়া ভাষাৰ কথন আৰু লেখনকৌশল : ক) উচচাৰণ, সাময়িক বিৰতি, শব্দ প্ৰয়োগ, বক্তৃতা (শিক্ষকে নিৰ্বাচন কৰি দিব), খ) বাক্যগাঠনি, আখৰ জোঁটনি, শব্দগঠন, জতুৱা প্ৰয়োগ,ভাল লেখনৰ বৈশিষ্ট্য)	১৫	৩	১৮	১৬
২	অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ-১ আবেদন-পত্ৰ লিখন, কাৰ্যবিৱৰণি লেখন, স্মাৰক পত্ৰ, নিমন্ত্ৰণীপত্ৰ, বিজ্ঞাপন আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ	১২	৩	১৫	২০
৩	অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ-২ শিক্ষকে নিৰ্বাচন কৰি দিয়া বিষয়ত বিদ্যায়তনিক প্ৰবন্ধ ৰচনা আৰু নিৰ্বাচিত সাহিত্য পাঠৰ সমালোচনা	৫	১০	১৫	১০
৪	নিৰ্বাচিত পাঠৰ আধাৰত ভাষা- সাহিত্য বিষয়ক বোধগম্যতাৰ পৰীক্ষণ যতীন্দ্ৰনাথ দুৱৰা - মোৰ শেষ পাঠ (যতীন্দ্ৰনাথ দুৱৰাৰ ৰচনাৱলী, সম্পাঃ লক্ষ্মীনাথ তামুলী) • হেম বৰুৱা- ভাৰতীয় সংস্কৃতি (শ্ৰেষ্ঠ অসমীয়া নিৰ্বাচিত প্ৰবন্ধ (দ্বিতীয় খণ্ড),সম্পাঃ হোমেন বৰগোহাঞি) • ড° হীৰেণ গোহাঁই- মানুহ শংকৰদেৱ(শ্ৰেষ্ঠ অসমীয়া নিৰ্বাচিত প্ৰবন্ধ (দ্বিতীয় খণ্ড),সম্পাঃ হোমেন বৰগোহাঞি) • বেণুধৰ শৰ্মা- অসমীয়া চাহৰ আঁতি-গুৰি, (বেণুধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড) • ক্ষীৰধৰ বৰুৱা - অসমীয়া বৈজ্ঞানিক পৰিভাষা ঃ ইতিহাস আৰু বিকাশ (অসমীয়া বিজ্ঞান সাহিত্য, সম্পা. ডজ্ঞ অৰবিন্দ ৰাজখোৱা)	১০	২	১২	১৪
সর্বমুঠ		**৪২**	**১৮**	**৬০**	**৬০**

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - গৃহকৃত কৰ্ম

প্রসংগ পুথিঃ

ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ : নীৰাজনা মহন্ত বেজবৰা

অসমীয়া ভাষাৰ উচ্চাৰণ : গোলোকচন্দ্র গোস্বামী, বীণা লাইব্রেৰী, গুৱাহাটী

ব্যৱহাৰিক অসমীয়া অভিধান : বসন্ত কুমাৰ গোস্বামী, যোৰহাট

নিকা অসমীয়া ভাষা : মহেশ্বৰ নেওগ, লয়ার্ছ, গুৱাহাটী

অসমীয়া ব্যাকৰণ প্ৰৱেশ : গোলোকচন্দ্র গোস্বামী, বীণা লাইব্রেৰী, গুৱাহাটী

বিজ্ঞান লেখকৰ হাতপুথি : দীনেশ চন্দ্র গোস্বামী, অসম বুক হাইভ, গুৱাহাটী

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge						
Conceptual Knowledge			CO 1 CO2			
Procedural Knowledge					CO3	
Meta cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	S	S	L	N	N	N	N	N	N
CO2	M	S	L	N	N	N	N	N	N
CO3	N	M	L	N	N	M	N	S	M

SEMESTER-1

Title of the Course : **ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল**
(Personality Development and Soft Skill)

Course Code : SEC 01

Nature of the Course : Skill Enhancement Course

Total Credits : 03

Distribution of Marks : 60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

বৰ্তমান আৰু ভৱিষ্যতে ব্যক্তিগত তথা সামূহিক জীৱনত সফলতা লাভৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ উপযুক্ত বিকাশৰ দিশটোৰ গুৰুত্ব উপলব্ধি কৰি এই পাঠ্যক্ৰমটি আগবঢ়োৱা হৈছে। ইয়াত অসমীয়াত আৰু লগতে ইংৰাজীকে ধৰি আন আন ভাষাটো উপলব্ধ গ্ৰন্থ, ৰচনা আদিৰ যোগেদি ব্যক্তিত্ব গঠনৰ উপাদান, ব্যক্তিত্ব আৰু ব্যক্তিত্বৰ বিকাশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱা হ'ব। ব্যক্তিত্বৰ বিকাশত সুকুমাৰ কৌশল (Soft Skills) সমূহৰ মুখ্য ভূমিকা ,থকাৰ কথাটোলৈ লক্ষ্য ৰাখি এনে কৌশলসমূহৰ সাধাৰণ পৰিচয় তথা প্ৰয়োগৰ প্ৰসংগ থাকিব।

উদ্দেশ্য

- ব্যক্তিত্ব গঠনৰ উপাদানসমূহৰ আভাস দিয়া
- ব্যক্তিত্বৰ বিকাশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰোৱা
- সুকুমাৰ কৌশলৰ পৰিচয় প্ৰদান কৰি সিবিলাকৰ উপযোগিতা আৰু প্ৰয়োগ সম্পৰ্কে সচেতন কৰা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO1 : ব্যক্তিত্বৰ সম্যক ধাৰণা লাভ কৰিব।

ILO 1 : ব্যক্তিত্বনো কি জানিব পাৰিব।

ILO 2 : ব্যক্তিত্বৰ উপাদানসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব।

ILO 3 : জীৱনত ব্যক্তিত্বৰ গুৰুত্ব উপলব্ধি কৰিব।

ILO 4 : উপযুক্ত ব্যক্তিত্ব গঠনৰ আৱশ্যকতাৰ বিষয়ে বুজিব পাৰিব।

CO2 : ব্যক্তিত্ব বিকাশৰ লগত পৰিচিত হ'ব।

ILO 1 : ব্যক্তিত্ব বিকাশৰ অর্থ অনুধাৱন কৰিব।

ILO 2 : ব্যক্তিত্বৰ বিকাশৰ লগত জড়িত দিশসমূহৰ বিষয়ে অৱগত হ'ব।

CO3 : ব্যক্তিত্ব বিকাশত সুকুমাৰ কৌশলসমূহৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব।

ILO 1 : সুকুমাৰ কৌশলৰ লগত পৰিচিত হ'ব।

ILO 2 : জীৱনত সুকুমাৰ কৌশলৰ ভূমিকা উপলব্ধি কৰিব।

ILO 3 : ব্যক্তিত্বৰ বিকাশ সাধনত সুকুমাৰ কৌশলৰ ভূমিকা উপলব্ধি কৰিব।

ILO 4 : উপযুক্ত ব্যক্তিত্ব গঠনৰ বাবে সুকুমাৰ কৌশল আয়ত্ত কৰাৰ প্ৰতি আগ্ৰহী হ'ব।

CO4 : অসমীয়া সাহিত্যৰ আধুনিক যুগৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে ৰচিত ব্যক্তিত্বৰ নিৰ্মাণ সম্পৰ্কীয় সাহিত্যিক সৃষ্টি কৰ্মৰ আভাস পাব।

ILO 1 : আধুনিক যুগৰ আৰম্ভণিত অসমত ব্যক্তিত্ব সম্পৰ্কীয় প্ৰেৰণাদায়ক লেখাৰ গতি-প্ৰকৃতিৰ আভাস পাব।

ILO 2 : আধুনিক অসমীয়া সাহিত্যৰ জনক লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যক্তিত্ব বিকাশমুখী চিন্তাৰ আভাস পাব।

ILO 3 : ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় চিন্তাৰ বিবৰ্তনৰ আভাস পাব।

ILO 4 : অসমীয়া ভাষাত ৰচিত ব্যক্তিত্ব সম্পৰ্কীয় সাহিত্যৰ গতি-প্ৰকৃতিৰ আভাস পাব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	মুঠ	নম্বৰ বিতৰণ
১	ব্যক্তিত্বৰ ধাৰণা	৮	৩	১১	১০
২	ব্যক্তিত্ব বিকাশৰ বিভিন্ন দিশ	৮	৩	১১	১৬
৩	ব্যক্তিত্ব বিকাশত সুকুমাৰ কৌশলৰ ভূমিকা	৮	৩	১১	১৬
৪	নিৰ্বাচিত পাঠ ক) কামত কৃতিত্ব লভিবৰ সংকেত - লক্ষ্মীনাথ বেজবৰুৱা খ) শ্ৰম (সাৰথি)- সত্যনাথ বৰা গ) প্ৰজ্ঞাৰ সাধনা (প্ৰজ্ঞাৰ সাধনা) - হোমেন বৰগোহাঞি ঘ) জীৱন আৰু যৌৱন (জীৱন কলা)-প্ৰহ্লাদ কুমাৰ বৰুৱা	৮	৪	১২	১৮
	সৰ্বমুঠ	৩২	১৩	৪৫	৬০

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - গৃহকৃত কৰ্ম

প্ৰসংগ পুথি :

ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ : নীৰাজনা মহন্ত বেজবৰা, বনলতা, ডিব্ৰুগড়।

ব্যক্তিত্ব বিকাশৰ ডেৰকুৰি মন্ত্ৰ : প্ৰাঞ্জল বেজবৰা, বনলতা, ডিব্ৰুগড়।

Personality Development: Manju Gupta, Puspak Publications, Dariyaganj, New Delhi,

The AEC of Soft Skills: Gopalaswamy Ramesh & Mahadevan Ramesh, Pearson India Education Services Ltd.

Improving Personality: R.C. Bhatia, Atlantic Publishers & Distributors(P) LTD

Soft Skills and Personality Development: Pranjal Bezborah, Banalata, Dibrugarh.

Learning Outcome Representation : Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge		CO1		CO4		
Conceptual Knowledge				CO2		
Procedural Knowledge					**CO3**	
Meta Cognitive Knowledge						

Mapping of Course Outcome to Program Outcome

CO/PO	**PO1**	**PO2**	**PO3**	**PO4**	**PO5**	**PO6**	**PO7**	**PO8**	**PO9**
CO1	N	N	N	L	N	N	N	S	S
CO2	N	N	N	L	N	N	N	S	S
CO3	N	N	N	L	N	N	N	S	S
CO4	M	N	N	M	N	N	N	S	S

SEMESTER-II

Title of the Course : **অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস**

(Introduction to History of Assamese Literature)

Course Code : ASMC2

Nature of the Course : Core

Total Credits : 04

Distribution of Marks : 60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

পটভূমি সহিত অসমীয়া সাহিত্যৰ ইতিহাসৰ এটি থূলমূল পৰিচয় প্ৰদানৰ উদ্দেশ্যেৰে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

- অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক পৰিচয় প্ৰদান কৰা হ'ব।
- অসমীয়া সাহিত্যৰ যুগবিভাজনৰ ধাৰণা প্ৰদান কৰা হ'ব।
- যুগ নিৰপেক্ষ অসমীয়া সাহিত্যৰ চমু পৰিচয় আগবঢ়োৱা হ'ব।
- পুৰণি অসমীয়া সাহিত্যৰ সৈতে পৰিচয় কৰোৱা হ'ব।
- অসমীয়া সাহিত্যৰ আধুনিক যুগ সম্পৰ্কে আভাস দিয়া হ'ব।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO 1: অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে পৰিচয় প্ৰদান কৰা।

ILO 1: অসমীয়া সাহিত্যৰ সামাজিক পটভূমিৰ বিষয়ে জানিব আৰু বিশ্লেষণ কৰিব পাৰিব।

ILO 2 : অসমীয়া সাহিত্যৰ বৌদ্ধিক পটভূমিৰ বিষয়ে জানিব আৰু বিশ্লেষণ কৰিব পাৰিব।

ILO 3 : সামাজিক বৌদ্ধিক কাৰকে কি ধৰণেৰে অসমীয়া সাহিত্য সৃষ্টিত অৰিহণা আগবঢ়াইছে তাৰ আভাস লাভ কৰিব।

CO 2: অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে ধাৰণা প্ৰদান কৰা।

ILO 1: অসমীয়া সাহিত্যৰ ইতিহাস প্ৰণেতাসকলে কৰা অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

ILO 2 : ইতিহাস প্ৰণেতাসকলে কেনেধৰণৰ পটভূমি অৱলম্বন কৰি সাহিত্যৰ যুগবিভাজন কৰিছে, তাক বিশ্লেষণ কৰিব পাৰিব।

ILO 3 : অসমীয়া সাহিত্যৰ যুগবিভাজনত গুৰুত্ব লাভ কৰা সময়সীমা আৰু বিভাজিত যুগবিলাকৰ নামকৰণত সাহিত্যৰ ইতিহাস প্ৰণেতাসকলৰ দৃষ্টিভংগীৰ তুলনামূলক বিশ্লেষণ কৰিব পাৰিব।

CO 3: অসমীয়া সাহিত্যৰ আদি যুগ আৰু যুগ-নিৰপেক্ষ সাহিত্যৰ পৰিচয় প্ৰদান কৰা

ILO 1: অসমীয়া সাহিত্যৰ আদি যুগ সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 2 : মৌখিক লোকসাহিত্যৰ ধাৰণা আৰু শ্ৰেণীবিভাজনৰ ধাৰণা কৰিব পাৰিব।

ILO 3 : অসমীয়া যুগ-নিৰপেক্ষ সাহিত্য সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 4 : যুগনিৰপেক্ষ সাহিত্যৰ বৰ্তনযোগ্যতা সম্পৰ্কে জ্ঞান লাভ কৰিব।

CO 4: পুৰণি অসমীয়া সাহিত্যৰ পৰিচয় প্ৰদান কৰা।

ILO 1: পুৰণি অসমীয়া সাহিত্যই সামৰি লোৱা সাহিত্যিক আৰু সাহিত্যকৃতিৰ পৰিচয় লাভ কৰিব।

ILO 2 : পুৰণি অসমীয়া সাহিত্যৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 3 : পুৰণি অসমীয়া সাহিত্যৰ অন্তৰ্ভুক্ত প্ৰাক্-শংকৰী আৰু শংকৰী যুগৰ বিষয়ে ধাৰণা কৰিব পাৰিব।

ILO 4 : পুৰণি অসমীয়া সাহিত্যৰ ৰূপ-ৰীতি নিৰীক্ষণ কৰি এই সাহিত্যকৃতিসমূহৰ মূল্যায়ন কৰিব পাৰিব।

CO 5 : আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় প্ৰদান কৰা।

ILO 1: আধুনিক অসমীয়া সাহিত্যৰ অন্তৰ্ভুক্ত স্তৰকেইটাৰ বিষয়ে ধাৰণা কৰিব পাৰিব।

ILO 2 : অৰুনোদই স্তৰৰ সাহিত্যৰ পৃষ্ঠভূমি সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 3 : অৰুনোদই স্তৰৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 4 : জোনাকী স্তৰৰ সাহিত্যৰ পৃষ্ঠভূমি সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 5 : জোনাকী স্তৰৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 6 : যুদ্ধোত্তৰ স্তৰৰ সাহিত্যৰ পৃষ্ঠভূমি সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 7 : যুদ্ধোত্তৰ স্তৰৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সৰ্বমুঠ	নম্বৰ বিতৰণ
১	**অসমীয়া সাহিত্যৰ পটভূমি :** সামাজিক আৰু বৌদ্ধিক	০৮	০২	১০	১০
২	**অসমীয়া সাহিত্যৰ যুগ বিভাজন :** সময়সীমা, নামকৰণ আৰু বিভিন্ন ধাৰা সম্পৰ্কে বিভিন্ন মতৰ সংক্ষিপ্ত পৰিচয়।	০৮	০২	১০	১৩
৩	**আদি যুগ আৰু যুগ-নিৰপেক্ষ সাহিত্যৰ থুলমূল পৰিচয়**	০৮	০২	১০	১২
৪	**পুৰণি অসমীয়া সাহিত্য :** বিভিন্ন যুগৰ বিশেষত্ব আৰু সাহিত্যৰ ৰূপ-ৰীতি সম্পৰ্কে সংক্ষিপ্ত পৰিচয়।	১২	০৩	১৫	১২
৫	**অসমীয়া সাহিত্যৰ আধুনিক যুগ :** বিভিন্ন স্তৰ-উপস্তৰৰ বিশেষত্ব আৰু সাহিত্যৰ ৰূপ-ৰীতি সম্পৰ্কীয় পৰিচয়।	১২	০৩	১৫	১৩
	সৰ্বমুঠ	**৪৮**	**১২**	**৬০**	**৬০**

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - দলীয় আলোচনা
  - আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - গৃহকৰ্ম

প্ৰসঙ্গ পুথি

অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত : সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ, গুৱাহাটী।

অসমীয়া সাহিত্যৰ ৰূপৰেখা: মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

অসমীয়া সাহিত্যত দৃষ্টিপাত : হেমন্ত কুমাৰ শৰ্মা, বীণা লাইব্ৰেৰী, গুৱাহাটী।

অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড) : বিশ্বেশ্বৰ হাজৰিকা(সম্পা.), আবিলেক, গুৱাহাটী।

অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড) : শিৱনাথ বৰ্মন(সম্পা.), আবিলেক গুৱাহাটী।

অসমীয়া সাহিত্যৰ বুৰঞ্জী(ষষ্ঠ খণ্ড) : হোমেন বৰগোহাঞিৰ(সম্পা.), আবিলেক, গুৱাহাটী।

অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা : লীলা গগৈ, বনলতা, ডিব্ৰুগড়।

অসমীয়া জনসাহিত্য : প্ৰফুল্ল দত্ত গোস্বামী, বাণী প্ৰকাশ, গুৱাহাটী।

অসমীয়া কবিতাৰ প্ৰবাহ(প্ৰথম খণ্ড) : কবীন ফুকন, বনলতা, ডিব্ৰুগড়।

আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় : লীলা গগৈ(সম্পা.), বনলতা, ডিব্ৰুগড়।

বিষয় আৰু ব্যাখ্যা: জয়ন্ত কুমাৰ বৰা, বনলতা, ডিব্ৰুগড়

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge						
Conceptual Knowledge		CO2, CO3,		CO4, CO5		
Procedural Knowledge		CO1				
Meta Cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	S	L	M	M	N	N	N	N	M
CO2	S	L	M	M	N	N	N	N	M
CO3	S	L	M	M	N	N	N	N	M
CO4	S	L	M	M	N	N	N	N	M
CO5	S	L	M	M	N	N	N	N	M

SEMESTER-II

Title of the Course	:	**অসমীয়া সাহিত্যৰ বুৰঞ্জী** (History of Assamese Literature)
Course Code	:	MINASM2
Nature of the Course	:	Minor
Total Credits	:	04
Distribution of Marks	:	60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

স্নাতক সাধাৰণ পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সাহিত্যৰ আৰম্ভণিৰে পৰা ৰামধেনু যুগ পৰ্যন্ত বিভিন্ন যুগ সমূহেৰে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সাধাৰণ আভাস দিয়াৰ উদ্দেশ্যেৰে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

- অসমীয়া সাহিত্যৰ যুগবিভাজনৰ আভাস দিয়া।
- প্ৰাক্‌শংকৰী, শংকৰী আৰু শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ লগত পৰিচয় কৰোৱা।
- আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাকালৰ বিষয়ে অৱগত কৰোৱা।
- জোনাকী আৰু জোনাকীৰ পৰৱৰ্তী অসমীয়া সাহিত্যৰ থূলমূল আভাস প্ৰদান কৰা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO 1: অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে ধাৰণা প্ৰদান কৰা।

ILO 1: অসমীয়া সাহিত্যৰ ইতিহাস প্ৰণেতাসকলে কৰা অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

ILO 2 : ইতিহাস প্ৰণেতাসকলে কেনেধৰণৰ পটভূমিক অৱলম্বন কৰি সাহিত্যৰ যুগবিভাজন কৰিছে, তাক বিশ্লেষণ কৰিব পাৰিব।

ILO 3 : অসমীয়া সাহিত্যৰ যুগবিভাজনত গুৰুত্ব লাভ কৰা সময়সীমা আৰু বিভাজিত যুগবিলাকৰ নামকৰণত সাহিত্যৰ ইতিহাস প্ৰণেতাসকলৰ দৃষ্টিভংগীৰ তুলনামূলক বিশ্লেষণ কৰিব পাৰিব।

CO 2 : পুৰণি অসমীয়া সাহিত্যৰ পৰিচয় প্ৰদান কৰা।

ILO 1: প্ৰাক্‌-শংকৰী যুগৰ সাহিত্যিক আৰু সাহিত্যকৃতিৰ এটি সাধাৰণ পৰিচয় লাভ কৰিব।

ILO 2 : মাধৱ কন্দলীৰ সাহিত্যকৃতি সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 3 : শংকৰী যুগৰ সাহিত্যিক আৰু সাহিত্যকৃতিৰ এটি সাধাৰণ পৰিচয় লাভ কৰিব।

ILO 4 : শংকৰদেৱৰ সাহিত্যকৃতি সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 5 : মাধৱদেৱৰ সাহিত্যকৃতি সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 6 : পীতাম্বৰ কবিৰ সাহিত্যকৃতি সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 7 : শংকৰোত্তৰ যুগৰ সাহিত্যিক আৰু সাহিত্যকৃতিৰ এটি সাধাৰণ পৰিচয় লাভ কৰিব।

ILO 8 : ভট্টদেৱৰ গদ্যসাহিত্য সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 9 : চৰিত সাহিত্য আৰু গদ্য সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 10 : বুৰঞ্জী সাহিত্য আৰু গদ্য সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

CO 3 : আধুনিক অসমীয়া সাহিত্যৰ প্ৰাৰম্ভিক স্তৰৰ পৰিচয় প্ৰদান কৰা।

ILO 1: আধুনিক অসমীয়া সাহিত্যৰ পৃষ্ঠভূমি সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 2 : খৃষ্টান মিছনেৰীসকলে আগবঢ়োৱা অৱদান সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 3 : অৰুনোদই স্তৰৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 4 : গুণাভিৰাম বৰুৱাৰ অৱদান সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 5 : হেমচন্দ্ৰ বৰুৱাৰ অৱদান সম্পৰ্কে জ্ঞান লাভ কৰিব।

CO 4 : জোনাকী স্তৰৰ সাহিত্যৰ পৰিচয় প্ৰদান কৰা।

ILO 1 : জোনাকী স্তৰৰ সাহিত্যৰ পৃষ্ঠভূমি, সাহিত্যিক আৰু সাহিত্যকৃতি সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 2 : জোনাকী স্তৰৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

ILO 3 : লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰ গুৰুত্ব সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 4 : পদ্মনাথ গোহাঞিবৰুৱাৰ সাহিত্যকৃতি সম্পৰ্কে জ্ঞান লাভ কৰিব।

ILO 5 : ৰজনীকান্ত বৰদলৈৰ সাহিত্যকৃতি সম্পৰ্কে জ্ঞান লাভ কৰিব।

CO 5 : উত্তৰ জোনাকী স্তৰৰ সাহিত্যৰ পৰিচয় প্ৰদান কৰা।

ILO 6 : আৱাহন যুগ সম্পৰ্কে এক ধাৰণা লাভ কৰিব।

ILO 7 : : আৱাহন যুগৰ গল্প, গল্পকাৰ আৰু গল্পৰ বিশেষত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সৰ্বমুঠ	নম্বৰ বিতৰণ
১	অসমীয়া সাহিত্যৰ যুগবিভাজনৰ আভাস	০৮	০২	১০	১০
২	• প্ৰাক্ শংকৰীযুগৰ সাহিত্য (মাধৱকন্দলিৰ সাহিত্যকৃতি) • শংকৰীযুগৰ সাহিত্য (শংকৰদেৱ, মাধৱদেৱ আৰু পীতাম্বৰ কবিৰ সাহিত্যকৃতি) • শংকৰোত্তৰ যুগৰ সাহিত্য (ভট্টদেৱৰ সাহিত্য, চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্য)	১৭	০২	১৯	১৮
৩	আধুনিক অসমীয়া ভাষাৰ সাহিত্যিক প্ৰতিষ্ঠা (মিছনেৰী, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ উল্লেখেৰে)	১০	০২	১২	১৪
৪	• জোনাকী আৰু উত্তৰ জোনাকী স্তৰৰ সাহিত্য (লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আৰু ৰজনীকান্ত বৰদলৈৰ উল্লেখেৰে) • আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্য	১৭	০২	১৯	১৮
	সৰ্বমুঠ	**৫২**	**০৮**	**৬০**	**৬০**

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - দলীয় আলোচনা
  - আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - গৃহকর্ম

প্রসঙ্গপুথি

অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত : সত্যেন্দ্রনাথ শর্মা, সৌমাৰ প্রকাশ, গুৱাহাটী।

অসমীয়া সাহিত্যৰ ৰূপৰেখা: মহেশ্বৰ নেওগ, চন্দ্র প্রকাশ, গুৱাহাটী।

অসমীয়া সাহিত্যত দৃষ্টিপাত : হেমন্ত কুমাৰ শর্মা, বীণা লাইব্রেৰী, গুৱাহাটী।

অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড) : বিশ্বেশ্বৰ হাজৰিকা(সম্পা.), আবিলেক, গুৱাহাটী।

অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড) : শিৱনাথ বর্মন(সম্পা.), আবিলেক গুৱাহাটী।

অসমীয়া সাহিত্যৰ বুৰঞ্জী(ষষ্ঠ খণ্ড) : হোমেন বৰগোহাঞিৰ(সম্পা.), আবিলেক, গুৱাহাটী।

অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা : লীলা গগৈ, বনলতা, ডিব্রুগড়।

অসমীয়া জনসাহিত্য : প্রফুল্ল দত্ত গোস্বামী, বাণী প্রকাশ, গুৱাহাটী।

অসমীয়া কবিতাৰ প্রবাহ(প্রথম খণ্ড) : কবীন ফুকন, বনলতা, ডিব্রুগড়।

আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় : লীলা গগৈ, বনলতা, ডিব্রুগড়।

বিষয় আৰু ব্যাখ্যা: জয়ন্ত কুমাৰ বৰা, বনলতা, ডিব্রুগড়

অসমীয়া চুটিগল্পৰ অধ্যয়ন*:* প্রহ্লাদ কুমাৰ বৰুৱা, বনলতা, ডিব্রুগড়

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	**Understand**	**Apply**	**Analyze**	**Evaluate**	**Create**
Factual Knowledge		CO1				
Conceptual Knowledge				CO2, CO3, CO4, CO5		
Procedural Knowledge						
Meta Cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	S	L	M	M	N	N	N	N	M
CO2	S	L	M	M	N	N	N	N	M
CO3	S	L	M	M	N	N	N	N	M
CO4	S	L	M	M	N	N	N	N	M
CO5	S	L	M	M	N	N	N	N	M

SEMESTER-2

Title of the Course	:	**সৃষ্টিশীল লেখন** (Creative Writing)
Course Code	:	GECASM2A
Nature of the Course	:	Generic Elective Course
Total Credits	:	03
Distribution of Marks	:	60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

যিকোনো লেখনৰ ক্ষেত্ৰতে সৃজনীশীলতাৰ প্ৰয়োজন। এইকাকতৰ যোগেদি সৃষ্টিশীল সাহিত্যৰ আওতাৰ ভিতৰত পৰা সাহিত্যকৰ্মসমূহ সৃষ্টিকৰাৰ কাৰিকৰীদিশ সমূহ আলোচনা কৰা হ'ব। এগৰাকী ভাল সৃষ্টিশীল লেখক হ'বৰ বাবে প্ৰয়োজনীয় মানসিক প্ৰস্তুতি, কার্যকৰীদক্ষতা আৰু পুনৰীক্ষণ তথা সংশোধনক্ষমতাৰ বিকাশৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

উদ্দেশ্য

- সৃষ্টিশীল লেখাৰ সংজ্ঞাত্মক ধাৰণা স্পষ্ট কৰা।
- সৃষ্টিশীল লেখকৰ কাৰিকৰী দক্ষতা বৃদ্ধি কৰা।
- সৃষ্টিশীল লেখা আৰু পাঠকৰ মাজৰ যোগসূত্ৰ ফলপ্ৰসূ ৰূপত প্ৰতিষ্ঠাকৰাৰ কৌশলসমূহৰ পৰিচয় দিয়া।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO1 : সৃষ্টিশীল লেখাৰ সংজ্ঞাত্মক ধাৰণা স্পষ্ট হ'ব।

ILO1 : সৃষ্টিশীল সাহিত্যৰ তাত্ত্বিক প্ৰসঙ্গ সমূহৰ বিষয়ে অৱগত হ'ব।

CO2 : সৃষ্টিশীল লেখকৰ কাৰিকৰী দক্ষতা বৃদ্ধি পাব।

ILO1 :সৃষ্টিশীল সাহিত্যৰ সাধন প্ৰণালী আৰু সাহিত্য ৰচনাৰ কৌশল সমূহৰ বিষয়ে অৱগত হ'ব।

CO3 :সৃষ্টিশীল লেখা আৰু পাঠকৰ মাজৰ যোগসূত্ৰ ফলপ্ৰসূ ৰূপত প্ৰতিষ্ঠাকৰাৰ কৌশলসমূহৰ পৰিচয় দিয়া হ'ব।

ILO1 : নিজৰ সৃষ্টিশীল লেখন কৌশলৰ বিকাশ ঘটাব পাৰিব।

ILO2 : সৃষ্টিশীল সাহিত্যৰ বিষয়ে প্ৰাথমিক ধাৰণাসমূহ স্পষ্ট কৰিব পাৰিব।

ILO3 : মানসিক তথা কাৰিকৰী প্ৰস্তুতিৰে সৃষ্টিশীল সাহিত্য ৰচনাৰ কৌশলসমূহ প্ৰয়োগৰ বাবে অনুপ্ৰাণিত হ'ব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	ব্যৱহাৰিক	সৰ্বমুঠ	নম্বৰ বিতৰণ
১	সৃষ্টিশীল সাহিত্যৰ তাত্ত্বিক প্রসঙ্গ (ক) সংজ্ঞা আৰু স্বৰূপ (খ) লক্ষ্য আৰু উদ্দেশ্য (গ) প্রকাৰ	০৬	০২		**০৮**	**১৫**
২	সৃষ্টিশীল সাহিত্যৰ সাধন প্রণালী(mode) • ব্যাখ্যামূলক(Expository) • বর্ণনামূলক(Descriptive or Expressive) • প্রত্যয়মূলক(Persuasive) • বৃত্তান্তমূলক(Narrative)	০৬	০২		**০৮**	**১৫**
৩	• সৃষ্টিশীল সাহিত্যত কল্পনাৰ প্রয়োগ • সৃষ্টিশীল সাহিত্যত লেখক আৰু পাঠকৰ সম্পর্ক • বাস্তবৰ পুনৰগঠন আৰু সৃষ্টিশীল সাহিত্য • নির্ধাৰিত ছবি, বিষয় আদিৰ আধাৰত সৃষ্টিশীল সাহিত্য ৰচনাৰ অভ্যাস(বিষয় শিক্ষকে ছবি,বিষয় আদি নিজাকৈ বাছি দিব)	১৫			**১৫**	**১৮**
৪	• গল্পৰ উপকৰণ আৰু গল্প লিখাৰ কৌশল তথা অভ্যাস • কবিতাৰ উপকৰণ আৰু কবিতা লিখাৰ কৌশল তথা অভ্যাস • গ্রন্থ পর্যালোচনাৰ উপকৰণ আৰু গ্রন্থ পর্যালোচনা লিখাৰ কৌশল তথা অভ্যাস	১০			**১০**	**১২**
৫	ব্যৱহাৰিক প্রকল্প (একমাত্র আভ্যন্তৰীণ মূল্যায়নৰ বাবে)			০৮=০৪	**০৪**	
	সৰ্বমুঠ	**৩৭**	**০৪**	**০৪**	**৪৫**	**৬০**

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- ব্যৱহাৰিক প্রকল্প (২০ নম্বৰ)

প্রসঙ্গ পুথি :

- *সৃজনশীলতা : তত্ত্ব, সংশ্লেষণ আৰু প্রয়োগ* : হিল্লোল কুমাৰ পাঠক,হিল্লোল কুমাৰ পাঠক, বনলতা,ডিব্রুগড়

- *সৃজনীমূলক সাহিত্য : প্রেৰণা আৰু আৰ্হি* : অতনু ভট্টাচার্য, আঁক-বাক, গুৱাহাটী
- *সৃজনশীল সাহিত্য :* প্রফুল্ল কুমাৰ নাথ, সম্প্রীতি, গুৱাহাটী
- *লেখক* : দেবজিৎ শর্মা, পাঞ্চজন্য প্রকাশন, গোলাঘাট
- *লেখক-সাংবাদিকৰ গাইড :* শান্তনু কৌশিক বৰুৱা, শাংকব কৌশিক বৰুৱা; সঞ্জীৱন প্রকাশন , গুৱাহাটী
- *Back to Creative Writing school*: Bridget Whelan, CreateSpace Independent Publishing Forum, 2014
- *Writing Tools:55 Essential Strategies for Every Writer*: Roy Peter Clark, Little Brown & Com, 2008
- *On Writing Well: The Classic Guide to Writing Non-Fiction*: William Zinsser, Harper Perennial, 2016
- *Cambridge Companion to Creative Writing*: Ed. David Morley and Philip Norton, Cambridge University Press, 2012
- *The Routledge Creative Writing Coursebook*: Paul Mills, Routledge

Learning Outcome Representation: Bloom's Taxonomy Table

Cognitive Knowledge Dimensions	Cognitive Process Dimension					
	Remember	Understand	Apply	Analyze	Evaluate	Create
Factual Knowledge		CO1				
Conceptual Knowledge					CO2	
Procedural Knowledge						CO3
Meta cognitive Knowledge						

Mapping of Course Outcomes to Program Outcomes:

CO / PO	PO1	PO2	PO3	PO4	PO5	PO6	PO7	PO8	PO9
CO1	N	N	N	L	L	L	L	N	N
CO2	N	L	L	L	L	L	L	N	N
CO3	N	L	L	L	L	L	L	L	L

SEMESTER-II

Title of the Course : **উত্তৰ-পূব ভাৰতৰ সাহিত্য**
(Literature of North-East India)

Course Code : GECASM2B

Nature of the Course : Generic Elective Course

Total Credits : 03

Distribution of Marks : 60 (End Sem) + 40 (In-Sem)

প্ৰস্তাৱনা

উত্তৰ-পূব ভাৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল। উত্তৰ-পূব ভাৰতৰ সাহিত্যত জনগোষ্ঠীয় চিন্তা-চেতনা আৰু জীৱনচর্যাৰ প্ৰতিফলন ঘটে। এই সাহিত্যৰ অধ্যয়নে ভাৰতীয় চিন্তাৰ জাতীয় স্ৰোতৰ সৈতে উত্তৰ-পূবৰ সংযোগসূত্ৰ নিৰ্ণয় কৰাত সহায় কৰিব। এই পাঠ্যক্ৰমত উত্তৰ-পূব ভাৰত বিভিন্ন জনগোষ্ঠীয় জীৱনক প্ৰতিনিধিত্ব কৰা নিৰ্বাচিত পাঠ অন্তৰ্ভুক্ত কৰা হৈছে ।

উদ্দেশ্য

- উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্যৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱা।
- সাহিত্যৰ মাজেৰে প্ৰতিফলিত উত্তৰ-পূব ভাৰতৰ জীৱনচর্যাৰ সৈতে পৰিচয় কৰোৱা।

পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcome)

CO1: **উত্তৰ-পূব ভাৰতৰ সাধাৰণ পৰিচয়**

ILO1: উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠী আৰু জনগোষ্ঠীয় সাহিত্যৰ পৰিচয় লাভ কৰিব ।

ILO2: উত্তৰ-পূব ভাৰতৰ সাহিত্যৰ বিশিষ্ট পটভূমিক উপলব্ধি কৰিব পাৰিব ।

CO2: **নিৰ্বাচিত পাঠ: মণিপুৰী জনগোষ্ঠীয় জীৱনক প্ৰতিনিধিত্ব কৰা উপন্যাস**

ILO1: উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় চিন্তা-চেতনাৰ পৰিচয় লাভ কৰিব

ILO2: উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় জীৱনচর্যা সম্পৰ্কে ধাৰণা লাভ কৰিব ।

CO3: **নিৰ্বাচিত পাঠ: জনগোষ্ঠীয় জনজীৱনৰ প্ৰতিফলন ঘটা গল্প**

ILO1: উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় স্বতন্ত্ৰতা আৰু সাহিত্যৰ সুকীয়া স্বৰূপ অনুভৱ কৰিব।

ILO2: ভাৰতীয় জাতীয় স্ৰোতৰ সৈতে সংযুক্ত উত্তৰ-পূব ভাৰতৰ সংযোগ উপলব্ধি কৰিব পাৰিব।

CO4: **নিৰ্বাচিত পাঠ: উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় কবিৰ আত্মজীৱনী আৰু কবিতা**

ILO1: উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় লেখকৰ জীৱনৰ উপলব্ধিক অনুভৱ কৰিব পাৰিব ।

ILO2: কবিতাত প্ৰকাশিত উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় কবিৰ অনুভৱৰ সৈতে সংপৃক্ত হ'ব পাৰিব।

গোট	বিষয়	পাঠদান	অনুশিক্ষণ	সর্বমুঠ	নম্বৰ বিতৰণ
১	উত্তৰ-পূব ভাৰতৰ সাধাৰণ পৰিচয়	০৫	০২	০৭	১০
২	নির্বাচিত পাঠ উপন্যাস :সনাতম্বী(মণিপুৰী),মূল - বিনোদিনী, অনুবাদ - ইন্দ্রমণি ৰাজকুমাৰ	১০	০২	১২	১৮
৩	নির্বাচিত পাঠ **গল্প :** • 'মৃত্যু'(অৰুণাচলী লেখকে অসমীয়া ভাষাত লিখা), য়েছে দৰজে ঠংচি • 'ডগ্রি'(বড়ো), মূল - প্রসেনজিৎ ব্রহ্ম, অনুবাদ - বিৰূপাক্ষ গিৰি বসুমতাৰী • 'গুৰিয়াল'(কার্বি লেখকে অসমীয়া ভাষাত লিখা), অজিত ছিংনাৰ	১০	০২	১২	১২
৪	নির্বাচিতপাঠ **আত্মজীৱনী:** • 'মোৰ জীৱনটো(ইংৰাজী),মূল-টেমচুলা আও, অনুবাদ-লক্ষ্যজ্যোতি গগৈ সন্দিকৈ **কবিতাঃ** • 'মোৰ ঘৰ'(ককবৰক), মূল - চন্দ্রকান্ত মুড়া সিং, অনুবাদ - প্রাণজিৎ বৰা	১২	০২	১৪	২০
	সর্বমুঠ	**৩৭**	**০৪**	**৪৫**	**৬০**

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (৪০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (দুটা) (২০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো দুটা) (২০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্র প্রস্তুত আৰু উপস্থাপন
  - গৃহকর্ম

প্রসঙ্গ পুথি :

